**২০২১ এছচিচি অনলাইন গৌ ২২৫৪ : (২০২২) ৩ গৌ এল আৰ ৬৭৭ : (২০২২) ১ জিএলটি ২১১**

## গৌহাটী উচ্চ ন্যায়ালয়

(মহামান্য ন্যায়াধীশ ৰুমী কুমাৰী ফুকনৰ বিচাৰপীঠ)

পংকজ দাস ... দৰ্খাস্তকাৰী

বনাম

ৰাজ্য অসম আৰু অন্যান্য ... প্ৰতিপক্ষগণ।

ফৌজদাৰী দৰ্খাস্ত নং- ৯৭৭/২০১৯

নিষ্পত্তিৰ তাৰিখ: ২৯ নৱেম্বৰ, ২০২১

ফৌজদাৰী কাৰ্যবিধি আইন, ১৯৭৩ৰ ধাৰা ১৯৭ — ফৌজদাৰী কাৰ্যবিধি আইন ধাৰা ১৯৭ৰ পৰিসৰ — আদালতৰ কৰ্তব্য যে ইয়াৰ সন্মুখত থকা তথ্য পৰিস্থিতিৰ ওপৰত গুৰুত্বসহকাৰে বিবেচনা কৰা — সুৰক্ষা হ'ব গুণগত আৰু চৰ্তসাপেক্ষ — সুৰক্ষা উপলব্ধ নহয়, যদিহে অভিযোগটোৰ চৰকাৰী কৰ্মচাৰীৰ চৰকাৰী কাৰ্য্য বা কৰ্তব্যৰ সৈতে কোনো সম্পৰ্ক, যুক্তিসংগত সংযোগ বা প্ৰাসংগিকতা নাথাকে আৰু অন্যথা ই বেআইনী। [দফা ২৪]

ফৌজদাৰী কাৰ্যবিধি আইন, ১৯৭৩ৰ ধাৰা ৩১৯ — ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ৩১৯ৰ বিধানসমূহ আৰোপ কৰাৰ সময়ত কিমান দূৰলৈ সন্তুষ্টিৰ প্ৰয়োজন হ'ব — বিচাৰ আদালতে ফৌজদাৰী কাৰ্যবিধি আইন, ১৯৭৩ৰ ধাৰা ৩১৯ত উল্লেখ কৰা বিধানসমূহ প্ৰয়োগ কৰাৰ পূৰ্বে নিজৰ সন্তুষ্টি লিপিবদ্ধ কৰিবলৈ অন্য সকলো বিষয়ৰ ওপৰত আলোচনা কৰা নাছিল — দৰ্খাস্তকাৰী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া আছিল আৰু সংশ্লিষ্ট সময়ত তেওঁ কৰ্তব্যত আছিল আৰু আন আচামী ব্যক্তিসকলেহে অভিযোগকাৰীক থানালৈ টানি লৈ গৈছিল, য'ত অভিযোগ কৰা ঘটনাটো সংঘটিত

হোৱা বুলি উল্লেখ কৰা হৈছে — নথিত থকা অন্যান্য প্ৰমাণৰ ভিত্তিত অভিযোগৰ সত্যতা পৰীক্ষা কৰিব লাগিব — পূৰ্বে কৰা সাধাৰণ পঞ্জীৰ দৰজে অভিযোগকাৰী আৰু আন আচামী ব্যক্তিসকলৰ মাজত শত্ৰুতাৰ ইংগিত দিছিল — দৰ্খাস্তকাৰীয়ে আৰক্ষী বিষয়া হোৱাৰ বাবে এনে বিষয়ত হস্তক্ষেপ কৰি তেওঁ নিজৰ ক্ষমতা অতিক্ৰম কৰিলেও সেয়া অনুমোদন প্ৰদানকাৰী কৰ্তৃপক্ষই পৰীক্ষা কৰিব — গোচৰত দৰ্খাস্তকাৰীয়ে কৰা দাবীটো কাল্পনিক বুলি দেখা নগ'ল — এইটো এনেকুৱা বিষয় নহয় যে দৰ্খাস্তকাৰীয়ে নিজেই আন আচামী-ব্যক্তিৰ সৈতে অভিযোগকাৰীৰ ঘৰলৈ গৈ অপৰাধ সংঘটিত কৰিছিল — ফৌজদাৰী কাৰ্যবিধি আইনৰ ৩১৯ নং ধাৰা প্ৰয়োগ কৰাৰ সময়ত আদালতে অভিযোগকাৰী পক্ষৰ অন্যান্য সাক্ষী পৰীক্ষা কৰা নাছিল — ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৯৭ নং ধাৰাটোৰ বিধান আৰোপ নকৰাকৈয়ে ফৌজদাৰী কাৰ্যবিধি আইনৰ ৩১৯ নং ধাৰাত কোনো অপৰাধ কৰা বুলি ধাৰণা (to take cognizance) কৰাটো আইন সাপেক্ষে সঠিক নহয় বুলি ৰায় দিয়া হয়— দৰ্খাস্তকাৰী ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৯৭ নং ধাৰা অধীনত সুৰক্ষাৰ অধিকাৰী বুলি ৰায় দিয়া হয় — অনুমোদন নোহোৱাকৈ দৰ্খাস্তকাৰীৰ বিৰুদ্ধে গোচৰ চলোৱাটো আইনগতভাৱে সঠিক নহয় বুলি ৰায় দিয়া হয়।

[দফা ২৭]

গোচৰটোত হাজিৰ হোৱা অধিবক্তাসকল:

দৰ্খাস্তকাৰীৰ হৈ শ্ৰীযুত এন. এন. বি. চৌধুৰী

প্ৰতিপক্ষগণৰ হৈ বাবে শ্ৰীমতী এছ জাহান।

উল্লেখ কৰা গোচৰসমূহ: কালক্ৰমানুসৰি

ভবেশ চন্দ্ৰ বিশ্বাস ওৰফে ভূপেশ বিশ্বাস বনাম অসম ৰাজ্য, ফৌজদাৰী দৰ্খাস্ত নং ১০৭/২০১৮।

সুৰিন্দৰজিৎ সিং মাণ্ড বনাম পঞ্জাৱ ৰাজ্য, (২০১৬) ৮ এছচিচি ৭২২।

প্ৰকাশ সিং বাদল বনাম পঞ্জাৱ ৰাজ্য, (২০১৫) ১ এছচিচি ৫১৩:

অৰ্চনা ভাৰ্মা ওৰফে অৰ্চনা বৰমা বনাম অসম ৰাজ্য, (২০১৫) ৪ গৌ এল টি ৫৩৩।

তৰুণ দেৱ শৰ্মা বনাম অসম ৰাজ্য, (২০১৫) ৪ গৌ এল টি ৪১৩।

ৰাজীব কুমাৰ ভূঞা বনাম অসম ৰাজ্য, ফৌজদাৰী দৰ্খাস্ত নং ৭৬/২০১৪।

হৰদীপ সিং বনাম পঞ্জাৱ ৰাজ্য, (২০১৪) ৩ এছচিচি ৯২।

অনিল কুমাৰ বনাম এম. কে. আইয়াপ্পা, (২০১৩) ১০ এছচিচি ৭০৫।

শংকৰণ মইত্ৰা বনাম সধানন দাস, (২০০৬) ৪ এছচিচি ৫৮৪।

ৰাকেশ কুমাৰ মিশ্ৰ বনাম বিহাৰ ৰাজ্য, (২০০৬) ১ এছচিচি ৫৫৭।

পি. পি. উন্নিকৃষ্ণন বনাম পুট্টিয়োটিল আলিকুট্টি, ২০০০ ক্ৰী এল জে ৪০৪১।

মাটাজোগ ডুবে বনাম এইচ. চি. ভাৰী, এআইআৰ ১৯৫৬ এছ চি ৪৪।

## ৰায় আৰু আদেশ

১/ দৰ্খাস্তকাৰীৰ হৈ হাজিৰ হোৱা বিদ্বান অধিবক্তা শ্ৰীযুত এন. এন. বি. চৌধুৰীৰ লগতে ৰাজ্য/ প্ৰতিপক্ষ নং ১ৰ হৈ হাজিৰ হোৱা অসমৰ বিদ্বান অতিৰিক্ত লোক অধিবক্তা শ্ৰীমতী এছ জাহানে দাঙি ধৰা যুক্তিবোৰ শুনা হ'ল।

২) এই গোচৰত দৰ্খাস্তকাৰীয়ে ১৭.৬.২০১৭ তাৰিখে বিদ্বান সদৰ ন্যায়িক দণ্ডাধীশ, বৰপেটাই জি. আৰ. গোচৰ নং ৯১৮/২০১৮(পূৰ্বৰ গোচৰ নং- চি আৰ গোচৰ নং ৫৬৩১/২০১৪)ত উপযুক্ত কৰ্তৃপক্ষৰ পৰা অনুমোদন নোলোৱাকৈ দৰ্খাস্তকাৰীৰ বিৰুদ্ধে ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ৩১৯ৰ অধীনত অপৰাধ কৰা বুলি ধাৰণা কৰা(to take cognizance) আদেশৰ ন্যায্যতা আৰু বৈধতাক প্ৰত্যাহ্বান জনাইছে।

৩) প্ৰতিপক্ষ নং ৩-লোক নাৰায়ণ গিৰীয়ে ৩.৫.২০১৪ তাৰিখে বিদ্বান মুখ্য ন্যায়িক দণ্ডাধীশ, বৰপেটাৰ আদালতত বৰ্তমানৰ দৰ্খাস্তকাৰী (৪ নং আচামী হিচাপে) লগতে আন তিনিজন আচামী ক্ৰমে কালিদাস, আলী মিঞা আৰু ৰবিন দাস ৰ বিৰুদ্ধে এই বুলি এটা অভিযোগ দাখিল কৰে যে ২৮.৪.২০১৪ তাৰিখে দিনৰ প্ৰায় ০৩.৩০ বজাত আচামী নং ১, ২ আৰু ৩ অভিযোগকাৰীৰ চোতালত অনাধিকাৰ প্ৰৱেশ কৰি তাক ভাবুকি দি তেওঁক বলপূৰ্বকভাৱে লাবডাংগুৰি টহলদাৰী চকীলৈ লৈ যায়, য'ত আচামী নং ৪ (এই গোচৰৰ দৰ্খাস্তকাৰী)য়ে

অভিযোগকাৰীৰ সোঁ কাণত চৰ মৰাৰ লগতে লাঠিৰে মাৰপিট কৰে, যাৰ ফলত তেওঁৰ গুৰুতৰ জখম হয় আৰু তেওঁ তেওঁৰ শ্ৰৱণ ক্ষমতা হেৰুৱাই পেলায়। আচামীগণে খালী কাগজতঅভিযোগকাৰীৰ স্বাক্ষৰ লোৱাৰ লগতে ভাবুকি দি তেওঁৰ পৰা ১০০০ টকাও লয়। তাৰ পিছত দিনৰ প্ৰায় ১২.৩০ বজাত তেওঁক মুকলি কৰি দিয়া হয়। অভিযোগকাৰীয়ে তেওঁ পোৱা আঘাতৰ বাবে বৰপেটা অসামৰিক চিকিৎসালয়ত চিকিৎসা লয় আৰু ৩.৫.২০১৪ তাৰিখে উক্ত সংক্ৰান্তে এটা অভিযোগ দাখিল কৰে। উপৰোক্ত অভিযোগটো নিষ্পত্তিৰ বাবে বৰপেটাৰ বিদ্বান প্ৰথম শ্ৰেণীৰ ন্যায়িক দণ্ডাধীশৰ আদালতলৈ প্ৰেৰণ কৰা হয় আৰু বিদ্বান দণ্ডাধীশে উক্ত অভিযোগটো গোবৰ্ধনা থানালৈ প্ৰেৰণ কৰে, যিটো ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৪৪৭/১২০বি/৩২৫/৩৮৪/৫০৬/৩৪ৰ অধীনত গোবৰ্ধনা থানাৰ গোচৰ নং ১৭৯/২০১৪ হিচাপে পঞ্জীয়ন কৰা হয়। তদন্ত সম্পূৰ্ণ হোৱাৰ পিছত তদন্তকাৰী বিষয়াই আচামী নং ১, ২ আৰু ৩ৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰে আৰু আচামী ৪ নং (দৰ্খাস্তকাৰী)ৰ বিৰুদ্ধে কোনো সাক্ষ্য-প্ৰমাণ নোপোৱা হেতুকে তেওঁক বিচাৰৰ সন্মুখীন হোৱাৰ বাবে পঠিওৱা নাছিল আৰু তেওঁক গোচৰৰ পৰা খালাচ দিবলৈ প্ৰাৰ্থনা জনাইছিল।

৪) অভিযোগনামাৰ ভিত্তিত বিদ্বান দণ্ডাধীশে উক্ত অভিযোগনামাত উল্লেখ থকা আচামীবোৰে অপৰাধ সংঘটিত কৰা বুলি ধাৰণা(to take cognizance) কৰে আৰু বিচাৰ প্ৰক্ৰিয়াৰ সময়ত অভিযোগকাৰীক, যিয়ে আচামী-দৰ্খাস্তকাৰীক অভিযোগ কৰা অপৰাধৰ সৈতে জড়িত কৰিছিল, গোচৰীয়া পক্ষৰ ১ নং সাক্ষী হিচাপে পৰীক্ষা কৰাৰ পিছত ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ৩১৯ ৰ অধীনত আন আচামীগণৰ সৈতে আচামী হিচাপে বিচাৰৰ সন্মুখীন হ'বলৈ তেওঁক চমন জাৰি কৰে। কিন্তু যিহেতু দৰ্খাস্তকাৰীক আন জিলালৈ বদলি কৰা হৈছিল, গতিকে, তেওঁক গোচৰৰ চমন দিব পৰা নাছিল আৰু জাননী প্ৰদান কৰাৰ পিছত তেওঁ আদালতত হাজিৰ হ'ব পৰা নাছিল আৰু সময় বিচাৰিছিল।

৫) ওপৰত উল্লেখ কৰা অপৰাধ সংঘটিত কৰা বুলি ধাৰণা কৰাৰ আদেশক প্ৰত্যাহ্বান জনাই দৰ্খাস্তকাৰীজন এই আদালতত ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ধাৰা ৪৮২ৰ অধীনত দৰ্খাস্তখন দাখিল কৰি উক্ত আদেশ আইনত সঠিক নহয় বুলি দাবী কৰিছে যিহেতু বিদ্বান বিচাৰ আদালতে ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা

১৯৭(৩)ৰ বাধ্যতামূলক বিধানসমূহ মানি চলা নাই। দৰ্খাস্তকাৰীয়ে কয় যে বাধ্যতামূলক বিধান অমান্য কৰাৰ বাবে বিবাদিত আদেশৰ লগতে দৰ্খাস্তকাৰীৰ বিৰুদ্ধে চলি থকা গোটেই বিচাৰ প্ৰক্ৰিয়া বাতিলযোগ্য।

৬) দৰ্খাস্তকাৰীৰ মতে, বাকছা জিলাৰ গোবৰ্ধন থানাৰ অন্তৰ্গত লাবডাংগুৰি টহলদাৰী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া হিচাপে কৰ্মৰত থকাৰ সময়তে তেওঁ ৰবীন ৰাজবংশীৰ নামৰ এজন ব্যক্তিয়ে লিখিত ভাৱে দিয়া এটা খবৰ লাভ কৰে যত উক্ত ব্যক্তিজনে উল্লেখ কৰিছিল যে, অভিযোগকাৰী (এই গোচৰৰ প্ৰতিপক্ষ নং ৩)য়ে ৰবিন ৰাজবংশীৰ পৰা তেওঁৰ বাপেকৰ নামত থকা ১২ বিঘা মাটি লীজত লৈ চুক্তিমতে ভাৰা আদায় দিয়া নাছিল আৰু লগতে উক্ত ১২ বিঘা মাটিৰ পৰা ২ বিঘা মাটি আলী হুছেইন নামৰ এজন ব্যক্তিৰ ওচৰত বন্ধকত ৰাখিছিল। ৰবিন ৰাজবংশীয়ে প্ৰতিপক্ষ নং ৩ৰ পৰা উক্ত ১০ বিঘা মাটি ঘূৰাই লৈ উক্ত মাটি কালি দাস নামৰ এজন ব্যক্তিক লীজত দিয়ে আৰু আলী হুছেইনৰ ওচৰত বন্ধকত ৰখা ২ বিঘা মাটি উদ্ধাৰৰ উদ্দেশ্যে তেওঁ আন চাৰিজন ব্যক্তিৰ সৈতে ৩ নং প্ৰতিপক্ষৰ ঘৰলৈ যায়, কিন্তু তেওঁ তেওঁলোকৰ সৈতে অসৎ আচৰণ কৰে।

উক্ত খবৰৰ ওপৰত ভিত্তি কৰি লাবডাংগুৰি টহলদাৰী চকীৰ সাধাৰণ পঞ্জীত দৰজ নং ২৪১, তাৰিখ ১৯.৩.২০১৪(সংলগ্ন-১) দিয়া হয়। দৰ্খাস্তকাৰীয়ে উক্ত খবৰ লাভ কৰাৰ পিছত লাবডাংগুৰি টহলদাৰী চকীৰ সাধাৰণ পঞ্জীত দৰজ নং ২৪১, তাৰিখ ১৯.৩.২০১৪ দিয়ে। তাৰ পিছত, তেখেতে লাবডাংগুৰি টহলদাৰী চকীৰ সাধাৰণ পঞ্জীত দৰজ নং ২৪২, তাৰিখ ১৯.৩.২০১৪(সংলগ্ন-২) দি দুজন কৰ্মচাৰীৰ সৈতে একেদিনাই দিনৰ ১.৪৫ বজাত ঘটনাস্থলীলৈ যায় আৰু তেখেতে টহলদাৰী চকীলৈ উভতি অহাৰ পিছত টহলদাৰী চকীৰ সাধাৰণ পঞ্জীত দৰজ নং ২৪১, তাৰিখ ১৯.৩.২০১৪(সংলগ্ন-৩)ত তেওঁ গ্ৰহণ কৰা পদক্ষেপবোৰ অন্তৰ্ভুক্ত কৰে। পৰৱৰ্তী সময়ত উক্ত ঘটনা সমন্ধে ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ১০৭ ৰ অধীনত গোবৰ্ধনা থানাত নন-এফআইআৰ গোচৰ নং ১৯/২০১৪, তাৰিখ ২২.৩.২০১৪, ৰজু কৰি উক্ত গোচৰটো সংশ্লিষ্ট কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰা হয়। লগতে দৰ্খাস্তকাৰীয়ে দুয়োপক্ষকে থানালৈ মাতি আনি আইন-শৃংখলা বজাই ৰাখিবলৈ নিৰ্দ্দেশ দিয়ে কাৰণ তেওঁলোকে সঘনাই বিবাদত লিপ্ত হৈছিল। কিন্তু উক্ত ঘটনাৰ ৪ মাহৰ পাছত ৩ নং প্ৰতিপক্ষই ৩.৫.২০১৪ তাৰিখে মুখ্য ন্যায়িক দণ্ডাধীশ, বৰপেটাৰ

আদালতত দৰ্খাস্তকাৰী আৰু ৩ জন বক্তিৰ বিৰুদ্ধে চি আৰ গোচৰ নং ১৪২৬/২০১৪(সংলগ্ন-৪) যোগে এটা মিছা অভিযোগ দাখিল কৰে কিন্তু দৰ্খাস্তকাৰীৰ বিৰুদ্ধে অভিযোগ কৰাৰ সময়ত ৰাজ্য চৰকাৰৰ পৰা কোনো অনুমতি লোৱা নাছিল যিটো ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ১৯৭ৰ অধীনত বাধ্যতামূলক।

৭) দৰ্খাস্তকাৰীৰ মতে, তেখেতে আৰক্ষী বিষয়া হিচাপে নিজৰ কৰ্তব্য পালন কৰি আছিল আৰু উক্ত ৰবিন ৰাজবংশীৰ পৰা পক্ষসমূহক মাজত সৃষ্টি হোৱা ভূমি বিবাদৰ সম্পৰ্কে অভিযোগ পোৱাৰ লগে লগে তেখেতে তেওঁলোকক এনে কোনো কাজিয়া-বিবাদত লিপ্ত নহ'বলৈ কৈছিল। প্ৰাসংগিক সাধাৰণ পঞ্জী দৰজে পক্ষসমূহৰ মাজত হোৱা বিবাদক প্ৰতিফলিত কৰে, যিটো এজাহাৰ (এফআইআৰ) দাখিল কৰাৰ পূৰ্বে দৰজ দিয়া হৈছিল আৰু সেই কোনো সঠিক প্ৰামাণ নোহোৱাকৈ মাত্ৰ ব্যক্তিগত প্ৰতিহিংসাৰ বাবেহে এই অভিযোগ দাখিল কৰা হৈছিল।

৮) অসম চৰকাৰৰ গৃহ বিভাগৰ সচিবৰ সাক্ষৰযুক্ত অধিসূচনা(নং- এইচ এম এ/২৮০/৮০/৮৮/৪১, তাৰিখ ২৯.৫.১৯৯০)ৰ উল্লেখ কৰি এইটো যুক্তি দিয়া হৈছে যে ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ১৯৭(২) অসম আৰক্ষী বাহিনীৰ আইন-শৃংখলা ৰক্ষাৰ বাবে নিয়োজিত সকলো সদস্যৰ ক্ষেত্ৰত প্ৰযোজ্য।

৯) দৰ্খাস্তকাৰীয়ে যুক্তি প্ৰদৰ্শন কৰিছে যে আইন-শৃংখলা বজাই ৰখাৰ বাবে কৰ্তব্য পালন কৰাৰ সময়ত সংঘটিত বুলি অভিযোগ উত্থাপন কৰা যিকোনো কাৰ্যৰ বাবে অসম আৰক্ষীৰ আৰক্ষী কৰ্মীসকলৰ বিৰুদ্ধে গোচৰ চলোৱাৰ বাবে ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৯৭ নং ধাৰাত চৰকাৰৰ অনুমোদন লোৱাটো আইনগতভাৱে বাধ্যতামূলক।

তেওঁৰ যুক্তিৰ সমৰ্থনত তলত দিয়া সিদ্ধান্তসমূহ উত্থাপন কৰা হৈছে:—

(১) মাটাজোগ ডুবে বনাম এইচ. চি. ভাৰী, এ আই আৰ ১৯৫৬ এছ চি ৪৪;

(২) ৰাকেশ কুমাৰ মিশ্ৰ বনাম বিহাৰ ৰাজ্য, (২০০৬) ১ এছচিচি ৫৫৭;

(৩) শংকৰণ মইত্ৰ বনাম সাধন দাস, (২০০৬) ৪ এছচিচি ৫৮৪; আৰু

(৪) ভবেশ চন্দ্ৰ বিশ্বাস আৰু ভূপেশ বিশ্বাস বনাম অসম ৰাজ্য, ফৌজদাৰী দৰ্খাস্ত নং ১০৭/২০১৮

১০) ইয়াৰ উপৰিও এইটোও যুক্তি দিয়া হৈছে যে বিদ্বান দণ্ডাধীশে যোগ্য কৰ্তৃপক্ষৰ পৰা পূৰ্বৰ অনুমোদন অবিহনে দৰ্খাস্তকাৰী আৰু অন্যান্য ব্যক্তিৰ বিৰুদ্ধে গোচৰ পঞ্জীয়ন কৰিবলৈ ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ১৫৬(৩)ৰ অধীনত নিৰ্দেশনা দিয়াৰ বাবে নিজৰ অধিকাৰক্ষেত্ৰৰ বাহিৰত কাম কৰিছিল। ন্যায়িক মনভাৱৰ দৃষ্টিভঙ্গী প্ৰয়োগ নকৰাকৈ আৰু আইনী নীতিৰ বিৰুদ্ধে বিদ্বান বিচাৰ আদালতে অভিযোগটো প্ৰেৰণ কৰাটো আইনৰ ফালৰ পৰা সঠিক নহয়। এই যুক্তিৰ সমৰ্থনত তলত দিয়া সিদ্ধান্তসমূহ উল্লেখ কৰা হৈছে:—

(১) অনিল কুমাৰ বনাম এম. কে. আইয়াপ্পা, (২০১৩) ১০ এছচিচি ৭০৫;

(২) ৰাজীৱ কুমাৰ ভূঞা বনাম অসম ৰাজ্য, ফৌজদাৰী দৰ্খাস্ত নং ৭৬/২০১৪;

(৩) অৰ্চনা ভৰ্মা @ অৰ্চনা বৰমা বনাম অসম ৰাজ্য, (২০১৫) ৪ গৌ এল টি ৫৩৩; আৰু

(৪) তৰুণ দেৱ শৰ্মা বনাম অসম ৰাজ্য, (২০১৫) ৪ গৌ এল টি ৪১৩।

১১) দৰ্খাস্তকাৰীয়ে দাবী কৰে যে ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ৩১৯ ধাৰা আৰোপ কৰাৰ ক্ষেত্ৰত বিবাদিত আদেশটোৰ কৰ্তৃত্বহীন, বেআইনী, আৰু আইনৰ প্ৰক্ৰিয়াৰ অপব্যৱহাৰৰ সমান হ'ব। অভিযোগটো বেয়া উদ্দেশ্যৰে ঘটনাৰ চাৰি মাহ পিছত আৰু অভিযোগ দাখিল কৰাত পলম হোৱাৰ কোনো ব্যাখ্যা নোহোৱাকৈয়ে দাখিল কৰা হৈছিল মাথোঁ কৰ্তব্য পালন কৰা আৰক্ষী বিষয়াজনক হাৰাশাস্তি কৰিবলৈ, কিয়নো অভিযোগ দাখিল কৰাৰ বহু আগতেই অভিযোগকাৰীৰ বিৰুদ্ধে সাধাৰণ পঞ্জীত দৰজ কৰা হৈছিল। তেখেতৰ এই যুক্তিৰ সমৰ্থনত ফৌজদাৰী দৰ্খাস্ত নং ৬৩৫/ ২০১৩ গোচৰত এই আদালতে ১৯.৯.২০১৭ তাৰিখৰ সিদ্ধান্তৰ কথা উল্লেখ কৰিছে।

১২) বিদ্বান অতিৰিক্ত লোক অধিবক্তা শ্ৰীমতী এছ জাহানে দৰ্খাস্তকাৰীয়ে প্ৰদান কৰা যুক্তিৰ বিৰুদ্ধে আপত্তি উত্থাপন কৰি যুক্তি দিছে যে অভিযোগৰ প্ৰকৃতি আৰু ঘটনাৰ তাৰিখৰ প্ৰতি লক্ষ্য ৰাখি অপৰাধ সংঘটিত কৰা আৰু চৰকাৰী কৰ্তব্য পালন কৰাৰ মাজত যুক্তিসংগত সম্পৰ্ক আছে বুলি ধৰিব নোৱাৰি। তেখেতৰ মতে

সাধাৰণ পঞ্জী দৰজ নং ২৪১, তাৰিখ ১৯.৩.২০১৪ ঘটনা সংঘটিত হোৱাৰ হোৱাৰ বহু আগতেই কৰা হৈছিল আৰু ২৮.৪.২০১৪ তাৰিখৰ ঘটনাৰ কথা উল্লেখ কৰি প্ৰতিপক্ষই ৩.৫.২০১৪ তাৰিখে অভিযোগ দাখিল কৰিছিল। তেনেকৈয়ে, ২৮.৪.২০১৪ আৰু ১৯.৩.২০১৪ তাৰিখে হোৱা ঘটনাৰ সৈতে কোনো সম্পৰ্ক থাকিব নোৱাৰে যে দৰ্খাস্তকাৰীয়ে ঘটনাৰ সময়ত কৰ্তব্য পালন কৰি আছিল। দৰ্খাস্তকাৰীয়ে প্ৰদত্ত তথ্য আৰু পৰিস্থিতিত ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ১৯৭ অধীনত সুৰক্ষা বিচাৰিব নোৱাৰিব আৰু লগতে কয় যে বিদ্বান বিচাৰ আদালতে দৰ্খাস্তকাৰীৰ বিৰুদ্ধে সঠিকভাৱে অপৰাধ হোৱা বুলি ধাৰনা কৰিছিল।

১৩) দৰ্খাস্তকাৰীৰ পক্ষই দিয়া অন্য এটা যুক্তি খণ্ডন কৰি ৰাজ্যখনৰ হৈ যুক্তি দিয়া বিদ্বান অধিবক্তা শ্ৰীমতী জাহানে আদালতক কয় যে অভিযোগ দাখিল কৰাত কোনো অত্যধিক পলম হোৱা নাই আৰু এই বিষয়ে অভিযোগকাৰীয়ে তেওঁ দাখিল কৰা অভিযোগত ব্যাখ্যা কৰিছে আৰু উক্ত অভিযোগৰ বিষয়বস্তুই দৰ্খাস্তকাৰীৰ বিৰুদ্ধে এটা স্পষ্ট গোচৰ সৃষ্টি কৰিছে। ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৫৬(৩) ধাৰাত বিদ্বান দণ্ডাধীশে ভুল কৰা কৰা বুলি উত্থাপন কৰা অন্য এটা বিতৰ্কৰ ক্ষেত্ৰত তেখেতে এইটো যুক্তি দিয়ে যে অভিযোগকাৰীয়ে ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ১৫৬(৩)অধীনত নিৰ্দ্দেশ দিবলৈ আদালতক কোনো প্ৰাৰ্থনা জনোৱা নাই, বৰঞ্চ আদালতে নিজেই অভিযোগখন তদন্তৰ বাবে আৰক্ষীলৈ প্ৰেৰণ কৰিছ, যিটো ইয়াৰ অধিকাৰক্ষেত্ৰৰ ভিতৰত আছে। এইটো যুক্তি দিয়া হৈছে যে অভিযোগ এটা লাভ কৰাৰ পিছত বিদ্বান দণ্ডাধীশৰ ভূমিকা কি হ'ব ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ২০২ত উল্লেখ আছে। উক্ত ধাৰাত উল্লেখ আছে যে অভিযোগ লাভ কৰাৰ লগে লগে দণ্ডাধীশে-(ক) নিজেই গোচৰটোৰ তদন্ত কৰিব পাৰে, (খ) অপৰাধৰ তদন্ত কৰিবলৈ আৰক্ষী বিষয়াক নিৰ্দেশ দিব পাৰে, বা (গ) দণ্ডাধীশে তদন্ত কৰিবলৈ উপযুক্ত বুলি ভবা আন যিকোনো বিষয়াক নিৰ্দেশ দিব পাৰে। এই গোচৰটোত বিদ্বান দণ্ডাধীশে আৰক্ষীক তদন্ত কৰিবলৈ নিৰ্দেশ দিয়ে আৰু সেই অনুসৰি আৰক্ষীয়ে বিষয়টোৰ যথাযথ তদন্ত কৰি অভিযোগনামা দাখিল কৰিছে। সকৰি বাসু, প্ৰিয়ংকা শ্ৰীবাস্তৱকে ধৰি দৰ্খাস্তকাৰীৰ পক্ষই নিৰ্ভৰ কৰা কোনো এটা গোচৰৰ সিদ্ধান্তই দৰ্খাস্তকাৰীক কোনো ধৰণৰ সকাহ দিব নোৱাৰে।

১৪) ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ৩১৯ৰ অধীনত অনুমতি নোলোৱাকৈ ফৌজদাৰী কাৰ্যবিধি আইনৰ ৩১৯ নং ধাৰা প্ৰয়োগ কৰাৰ সৈতে জড়িত দ্বিতীয়

প্ৰত্যাহ্বানটোৰ ক্ষেত্ৰত এই যুক্তি দিয়া হৈছে যে আনকি ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ৩১৯ অধীনত অপৰাধ কৰা  বুলি লোৱা ধাৰনাৰ ক্ষেত্ৰতো অনুমোদন লাভ কৰাটো এটা প্ৰয়োজনীয় পদক্ষেপ, কিন্তু এই নিৰ্দিষ্ট গোচৰটোত বিচাৰ অনুমোদনৰ বাবে অপৰিহাৰ্য চৰ্ত "ৰাজহুৱা কৰ্মচাৰীজনে চৰকাৰী কৰ্তব্য পালন কৰি আছিল"- পূৰণ কৰা হোৱা নাই। এই গোচৰত দৰ্খাস্তকাৰীৰ কাৰ্য্য চৰকাৰী কৰ্তব্যৰ পৰিসৰৰ ভিতৰত নপৰে। এই যুক্তিৰ সমৰ্থনত সুৰিন্দৰজিৎ সিং মাণ্ড বনাম ষ্টেট অৱ পঞ্জাব, (২০১৬) ৮ এছচিচি ৭২২ আৰু মাটাজোগ ড'বে (উপৰোক্ত) গোচৰত দিয়া সিদ্ধান্তসমূহ উল্লেখ কৰা হৈছে। তদুপৰি এই যুক্তি দিয়া হৈছে যে এই গোচৰটোত দৰ্খাস্তকাৰীৰ নিজেই অপৰাধৰ তদন্ত কৰাৰ কোনো কৰ্তব্য নাছিল আৰু এই কাৰ্য আৰু চৰকাৰী কৰ্তব্যৰ মাজত কোনো সম্পৰ্ক নাই।

১৫) আনকি সাধাৰণ পঞ্জীৰ দৰজ অনুসৰি কোনো ধৰণৰ বিচাৰযোগ্য (cognizable) অপৰাধ প্ৰতিফলিত হোৱা নাছিল আৰু সেই অনুসৰি আবেদনকাৰীয়ে ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৫৫ নং ধাৰাটোৰ উপ-ধাৰা (২)ৰ ভিত্তিত কোনো অবিচাৰযোগ্য(non-cognizable) অপৰাধৰ তদন্ত কৰিব নোৱাৰে। এই ক্ষেত্ৰত **প্ৰকাশ সিং বাদল বনাম পঞ্জাৱ ৰাজ্য, (২০১৫) ১ এছচিচি ৫১৩** গোচৰৰ সিদ্ধান্তৰ ওপৰত নিৰ্ভৰ কৰা হৈছে, য'ত স্পষ্টভাৱে কোৱা হৈছে যে দণ্ডাধীশৰ পৰা আদেশ নোপোৱালৈকে আৰক্ষীয়ে অবিচাৰযোগ্য অপৰাধৰ তদন্তত আৰম্ভ কৰিব নোৱাৰে। তদুপৰি, মাননীয় উচ্চতম ন্যায়ালয়ে **পি. পি. উন্নিকৃষ্ণন বনাম পুট্টিয়ট্টলি আলিকুট্টি, ২০০০ ক্ৰী এল জে ৪০৪১** ৰায় দিয়া মতে যদি কোনো চৰকাৰী কৰ্মচাৰীয়ে কোনো বেআইনী কাম কৰে, তেন্তে তাৰ বিৰুদ্ধে গোচৰ চলাবলৈ কোনো অনুমতিৰ দৰ্কাৰ নহয়। ।

১৬) দুয়োটা পক্ষৰ বিদ্বান অধিবক্তাসকলে প্ৰদান কৰা যুক্তিবোৰ তথা দাখিল উল্লেখ কৰা সিদ্ধান্তসমূহ ভালকৈ পৰ্যবেক্ষণ কৰা হৈছে।

১৭) বিষয়টোৰ সঠিকভাৱে বুজাৰ বাবে প্ৰতিপক্ষ/অভিযোগকাৰীয়ে দাখিল কৰা অভিযোগটো চাওঁ আহক। অভিযোগ অনুসৰি তিনিজন আচামী (যি চৰকাৰী কৰ্মচাৰী নহয়)হঠাতে অভিযোগকাৰীৰ চোতালত প্ৰৱেশ কৰি তেওঁক টানি টানি লাবডাংগুৰি থানালৈ লৈ যায়, য'ত ৪ নং আচামী (অৰ্থাৎ দৰ্খাস্তকাৰীয়ে) হঠাতে তেওঁক চৰ মাৰাৰ লগতে শৰীৰৰ বিভিন্ন অংশত মাৰপিট কৰে, আৰু ভাবুকি প্ৰদান কৰি তেওঁৰ পৰা ১০০০ টকাৰ নিয়াৰ লগতে খালী কাগজত তেওঁৰ স্বাক্ষৰ

লয়। ৩.৫.২০১৪ তাৰিখে এই অভিযোগ দাখিল কৰা হয় আৰু ১৮.৮.২০১৪ তাৰিখে আৰক্ষীয়ে উক্ত অভিযোগটো পঞ্জীয়ন কৰা হয়। নিম্ন আদালতে পঠোৱা নথিত ৭.২.২০১৫ তাৰিখে অভিযোগনামা গ্ৰহন কৰাৰ পিছৰ ফাইলটোহে উপলব্ধ আছে। অভিযোগ দাখিল কৰাৰ সময়ৰ প্ৰাৰম্ভিক ফাইলটো নথিত উপলব্ধ নাই। কিন্তু ইয়াৰ পৰা প্ৰকাশ পাইছে যে অভিযোগনামাখন কেৱল তিনিজন আচামীৰ বিৰুদ্ধেহে দাখিল কৰা হৈছে(এজাহৰত নাম উল্লেখ কৰা আছে) আৰু বৰ্তমানৰ আচামী-দৰ্খাস্তকাৰীৰ বিৰুদ্ধে কোনো সাক্ষ্য-প্ৰমাণ নোপোৱাৰ বাবে তেওঁক বিচাৰৰ সন্মুখীন হোৱাৰ বাবে পঠোৱা হোৱা নাছিল।

১৮) বিদ্বান বিচাৰ আদালতে ভাৰতীয় দণ্ডবিধি আইনৰ ধাৰা ৪৪৭/ ৩৪৩/ ২৯৪/৫০৬/৩৪ৰ অধীনত অভিযোগনামাত উল্লেখ থকা তিনিজন ব্যক্তিৰ বিৰুদ্ধে অপৰাধৰ সংঘটিত কৰাৰ ধাৰনা কৰি তেওঁলোকক অভিযোগৰ বিষয়ে বুজাই দিয়াৰ পিছত সাক্ষ্য-প্ৰমাণ লোৱাৰ বাবে আগবাঢ়ে। অভিযোগকাৰীক তেওঁৰ পক্ষৰ ১ নং সাক্ষী হিচাপে পৰীক্ষা কৰা দিনটোত আদালতে তেওঁৰ সাক্ষ্যৰ ভিত্তিত ফৌজদাৰী কাৰ্যবিধি আইনৰ ৩১৯ নং ধাৰাত অপৰাধ সংঘটিত হোৱা বুলি ধাৰণা কৰে আৰু দৰ্খাস্তকাৰীক বিচাৰৰ সন্মুখীন হ'বলৈ মাতে। অভিযোগকাৰীয়ে ১ নং সাক্ষ্য হিচাপে দিয়া সাক্ষ্য পৰীক্ষা কৰিলে দেখা যায় যে অভিযোগটোত উত্থাপিত বৰ্তমানৰ আচামীজনে ধন দাবী কৰাৰ গুৰুতৰ অভিযোগৰ সন্দৰ্ভত তেওঁৰ সাক্ষ্য যথেষ্ট নিমাত। জেৰাৰ সময়ত তেওঁ উল্লেখ কৰিছে যে যদিও তেওঁৰ পিতৃৰ দিনৰ পৰাই মাটিখিনি প্ৰায় ৫০ বছৰ ধৰি তাৰ দখলত আছে, কিন্তু তেওঁ নাজানে যে কোনে মাটিৰ ৰাজহ দিছিল আৰু আচামীগণে ২০১৪ চনৰ পৰা তেওঁক অশান্তি দি আছে ।

১৯) তেওঁৰ সাক্ষ্য তেওঁ দাখিল কৰা অভিযোগৰ সৈতেও মিল নাই যে তেওঁ গুৰুতৰভাৱে আঘাত পাইছিল আৰু তেওঁৰ এটা কাণৰ শ্ৰৱণ ক্ষমতা হেৰুৱাইছিল। চিকিৎসাৰ প্ৰতিবেদন অনুসৰি তেওঁৰ আঘাত সাধাৰণ আছিল যিটো ভোটা বস্তুৰ কৰা হ'ব পাৰে।

২০) এতিয়া মন কৰিবলগীয়া তথ্য যে পূৰ্বতে উল্লেখ কৰা আদেশ জাৰি কৰাৰ সময়ত বিদ্বান বিচাৰ আদালতে দুটা গুৰুতৰ দিশ লক্ষ্য কৰা নাই। প্ৰথম দিশটো

হ'ল সাক্ষ্য-প্ৰমাণৰ অভাৱত দৰ্খাস্তকাৰীৰ বিৰুদ্ধে অভিযোগনামা দাখিল নকৰা আৰু দ্বিতীয়টো দিশটো হ'ল অভিযোগ আৰু সাক্ষ্যৰ মাজত থকা অসামঞ্জস্যতা। তদুপৰি অভিযোগকাৰী পক্ষৰ ১ নং সাক্ষীৰ সাক্ষ্যৰ সমৰ্থনত আন সাক্ষীকো পৰীক্ষা কৰা হোৱা নাছিল। অভিযোগকাৰী পক্ষৰ ১ নং সাক্ষীৰ সাক্ষ্যই মাটিৰ দখল লৈ ভূমি বিবাদৰ বিষয়ে ইংগিত দিয়ে। বিষয়টোৰ সেই দৃষ্টিভংগীত, বিচাৰৰ প্ৰাৰম্ভিক পৰ্যায়ত মাত্ৰ অভিযোগকাৰীৰ বক্তব্যৰ ভিত্তিতে ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ৩১৯ প্ৰয়োগ কৰা হৈছে।

২১) ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ৩১৯(১) উল্লেখ আছে যে যদি কোনো অপৰাধৰ তদন্ত বা বিচাৰৰ কালছোৱাত সাক্ষ্য-প্ৰমাণৰ পৰা দেখা যায় যে আচামী হিচাপে নাম নথকা কোনো ব্যক্তিয়ে এনে কোনো অপৰাধ সংঘটিত কৰিছে যাৰ বাবে আচামীৰ সৈতে একেলগে এনে ব্যক্তিৰ বিচাৰ হ'ব পাৰে, তেন্তে আদালতে অপৰাধ কৰা যেন লগা তেনে বক্তিৰ বিৰুদ্ধে বিচাৰ প্ৰক্ৰিয়া চলাবৰ বাবে আগবাঢ়িব পাৰে।

২২) **হৰদীপ সিং বনাম পঞ্জাৱ ৰাজ্য, (২০১৪) ৩ এছচিচি ৯২** গোচৰত ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ৩১৯ৰ এনে বিধানসমূহ আদালতে কেতিয়া আৰোপ কৰিব পাৰে সেই বিষয়ে আলোচনা কৰা হৈছে। আদালতে এনে ব্যৱস্থা আৰোপ কৰাৰ সময়ত সন্তুষ্টিৰ মাত্ৰাৰ সন্দৰ্ভত ইয়াক তলত দিয়া ধৰণে কৈছে:—

"এইদৰে আমি মত পোষণ কৰোঁ যে যদিও প্ৰয়োজনীয় জেৰা নকৰাকৈ আদালতত উপস্থাপন কৰা প্ৰমাণৰ ভিত্তিতে এটা স্পষ্ট(prima facie) গোচৰ স্থাপন কৰিব লাগিব কিন্তু এই সাক্ষ্য-প্ৰমাণ কেৱল দোষী সাব্যস্ত হোৱাৰ সম্ভাৱনাতকৈ বহু শক্তিশালী হ'ব লাগিব। দোষী সাব্যস্ত হ'ব পাৰে বুলি আদালতক সন্তুষ্ট কৰিলেই নহ'ব; বৰঞ্চ প্ৰমাণবোৰ ইমানেই শক্তিশালী হোৱাটো প্ৰয়োজন যে প্ৰমাণক প্ৰত্যাহ্বান জনোৱা নহ'লে দোষী সাব্যস্ত হোৱাৰ সম্ভাৱনা থাকিব। যদি প্ৰমাণ যথেষ্ট শক্তিশালী নহয় তেন্তে আদালতে ৩১৯ নং ধাৰা ব্যৱহাৰ কৰা উচিত নহয়। ফৌজদাৰী কাৰ্যবিধি আইনৰ ৩১৯ মতে যদি সাক্ষ্য-প্ৰমাণৰ পৰা দেখা যায় যে আচামী হিচাপে উল্লেখ নথকা কোনো ব্যক্তিয়ে কোনো অপৰাধ সংঘটিত কৰিছে, তেন্তে এনে ব্যক্তিৰ বিৰুদ্ধে আচামীৰ সৈতে একেলগে বিচাৰ কৰিব পৰা যাব। ব্যৱহৃত শব্দবোৰ

“যাৰ বাবে এনে ব্যক্তিক দোষী সাব্যস্ত কৰিব পৰা যাব” নহয়। গতিকে ৩১৯ নং ধাৰাত আদালতে আচামীজনে অপৰাধ কৰাৰ ধাৰণা কৰাৰ কোনো পৰিসৰ নাই।”

২৩)ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ১৯৭ৰ পৰিসৰৰ বিষয়ে **মাটাজোগ ডোবে** (ওপৰত উল্লেখ কৰা) গোচৰত সংবিধান বিচাৰপীঠে তলত দিয়া ধৰণে আলোচনা কৰিছে:—

“চৰকাৰী কৰ্মচাৰীসকলক চৰকাৰী কৰ্তব্যসমূহ পালন কৰাৰ সময়ত সন্মুখীন হোৱা হাৰাশাস্তিৰ পৰা সুৰক্ষিত কৰিব লাগে কিন্তু সাধাৰণ নাগৰিকৰ বাবে এনে সুৰক্ষাৰ প্ৰয়োজন নাই। এই যুক্তি দিয়া হৈছে যে ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৯৭ নং ধাৰাৰ অধীনত অনুমতি দিব নে নিদিব সেই সিদ্ধান্ত লোৱাৰ নিয়ন্ত্ৰণহীন ক্ষমতা চৰকাৰক দিয়া হৈছে আৰু আইনসভাই এই সিদ্ধান্ত লওঁতে চৰকাৰে মানি চলিবলগীয়া কোনো স্পষ্ট নিয়ম বা নীতি প্ৰদান কৰা নাই। চৰকাৰী কৰ্তব্য পালন কৰাৰ সময়ত কোনো চৰকাৰী কৰ্মচাৰীকে কৰা এটা কাৰ্যৰ বাবে তেওঁৰ বা তাইৰ বিৰুদ্ধে গোচৰ ৰুজু কৰাৰ ক্ষেত্ৰত এজন ব্যক্তি আৰু আন এজন ব্যক্তিৰ মাজত কোনো ধৰণৰ বৈষম্যৰ প্ৰশ্নই উত্থাপন নহয়। এনে অনুমোদন অবিহনে কোনেও এনে আইনী প্ৰক্ৰিয়া লব নোৱাৰে। ইয়াৰ উপৰিও এইটো কোৱা হৈছে যে কাৰ্য আৰু চৰকাৰী কৰ্তব্যৰ মাজত যুক্তিসংগত সম্পৰ্ক থাকিব লাগিব। চৰকাৰী কৰ্তব্য পালনৰ বাবে প্ৰয়োজনীয় সীমা অতিক্ৰম কৰিলেও কোনো কথা নাই, কিয়নো এই প্ৰশ্নটো পিছৰ পৰ্যায়তহে উত্থাপন হ’ব যেতিয়া বিচাৰ প্ৰক্ৰিয়া সাক্ষ্য-প্ৰমাণৰ গুণাগুণৰ ভিত্তিত আগবাঢ়িব। আমি বিচাৰি উলিয়াব লাগিব যে উক্ত কাৰ্য্য আৰু চৰকাৰী কৰ্তব্য ইমানেই আন্তঃসম্পৰ্কীয় নেকি যে আমি যুক্তিসংগতভাৱে ক’ব পাৰো যে অভিযুক্তই তেওঁৰ চৰকাৰী কৰ্তব্যৰ অংশ হিচাপে কাৰ্য্যটো সম্পন্ন কৰিছিল, যদিও সেয়া সম্ভৱতঃ পৰিস্থিতিৰ বাবে প্ৰয়োজনীয়তকৈ অধিক আছিল।”

২৪) **শংকৰণ মইত্ৰ** (ওপৰত উল্লেখ কৰা) গোচৰত এইটো কোৱা হৈছে যে যদি আচামীয়ে কৰা কাৰ্যটো আচামীজনৰ কৰ্তব্য পালনৰ সৈতে সম্পৰ্ক আছে, তেন্তে ইয়াক চৰকাৰী কাৰ্য বুলি ধৰিব লাগিব, যাৰ বাবে ১৯৭ নং ধাৰাৰ প্ৰযোজ্যতাক বিতৰ্কিত কৰিব নোৱাৰি আৰু অনুমোদন অবিহনে ইয়াৰ বিচাৰ প্ৰক্ৰিয়া আগবাঢ়িব নোৱাৰিব। পূৰ্বতে উল্লেখ কৰা গোচৰটোত এজন আৰক্ষী বিষয়াই এজন ব্যক্তিক আটক কৰি ৰাখিছিল আৰু উক্ত ব্যক্তিজনৰ মৃত্যু হৈছিল। অনুমোদন অবিহনে

আৰম্ভ হোৱা বিচাৰ প্ৰক্ৰিয়া মাননীয় উচ্চতম ন্যায়ালয়ে এই বুলি খাৰিচ কৰিছিল যে ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৯৭ নং ধাৰা প্ৰযোজ্যতাৰ ওপৰত আদালতৰ কৰ্তব্য এই যে নিজৰ সন্মুখত থকা তথ্য পৰিস্থিতিৰ ওপৰত নিজৰ বিবেক প্ৰয়োগ কৰা। উক্ত সুৰক্ষা সীমিত আৰু চৰ্তসাপেক্ষ আৰু উক্ত সুৰক্ষা এজনে নাপায় যদি অভিযোগ কৰা কাৰ্য্যটোৰ ৰাজহুৱা চৰকাৰী কৰ্মচাৰীয়ে কৰা কাৰ্য্য বা কৰ্তব্যৰ সৈতে কোনো সম্পৰ্ক, যুক্তিসংগত সংযোগ বা প্ৰাসংগিকতা নাথাকে আৰু অন্যথা ই অবৈধ আৰু বেআইনী বা তেওঁ উক্ত অপৰাধৰ বাবে ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ১৯৭ অধীনত সুৰক্ষা নাপায়।

২৫) **ৰাকেশ কুমাৰ মিশ্ৰ** (উপৰোক্ত) গোচৰত মাননীয় উচ্চতম ন্যায়ালয়ে ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৯৭ নং ধাৰা প্ৰণয়নৰ আঁৰৰ উদ্দেশ্যৰ বিষয়ে আৰু আৰু ইয়াৰ প্ৰয়োগৰ পূৰ্বচৰ্তৰ বিষয়েও আলোচনা কৰিছে । আদালতে তলত দিয়া ধৰণে পৰ্যবেক্ষণ কৰে:—

“৬. ১৯৭ নং ধাৰাত উল্লেখ থকা সুৰক্ষাই দায়িত্বশীল চৰকাৰী কৰ্মচাৰীসকলক তেওঁলোকৰ চৰকাৰী কৰ্তব্য পালন কৰাৰ সময়ত অন্যায়ৰ অভিযোগৰ পৰা উদ্ভৱ হোৱা অপ্ৰয়োজনীয় অপৰাধমূলক কাৰ্য্যবিধিৰ সম্ভাৱনাৰ পৰা ৰক্ষা কৰে। আইনসভাৰ নীতি হ’ল চৰকাৰী কৰ্মচাৰীসকলক পৰ্যাপ্ত সুৰক্ষা প্ৰদান কৰা যাতে যুক্তিসংগত কাৰণ নোহোৱাকৈ চৰকাৰী কৰ্তব্য পালনত কৰা কোনো কামৰ বাবে তেওঁলোকৰ বিৰুদ্ধে গোচৰ চলোৱা নহয়, আৰু চৰকাৰে যদি কোনো চৰকাৰী কৰ্মচাৰীৰ বিৰুদ্ধে গোচৰ চলাবলৈ অনুমোদন দিয়ে তেন্তে বিচাৰ প্ৰক্ৰিয়াৰ ওপৰত ইয়াৰ সম্পূৰ্ণ নিয়ন্ত্ৰণ থাকিব লাগে।। এই সুৰক্ষাৰ কিছুমান সীমা থাকে আৰু ই তেতিয়াহে উপলব্ধ যেতিয়া চৰকাৰী কৰ্মচাৰীজনে কৰা কথিত কাৰ্য্যটো তেওঁৰ চৰকাৰী কৰ্তব্য পালনৰ সৈতে যুক্তিসংগতভাৱে জড়িত হয় আৰু ই আপত্তিজনক আচৰণত লিপ্ত হোৱাৰ বাবে কেৱল আৱৰণ নহয়। যদি নিজৰ চৰকাৰী কৰ্তব্য পালনত তেওঁ নিজৰ কৰ্তব্যৰ গণ্ডিৰ বাহিৰত কিবা কৰে, কিন্তু তেওঁ কৰা কাৰ্য্য আৰু চৰকাৰী কৰ্তব্য পালনৰ মাজত যুক্তিসংগত সম্পৰ্ক আছে, তেন্তে এনে অতিৰিক্ততা চৰকাৰী কৰ্মচাৰীজনক সুৰক্ষাৰ পৰা বঞ্চিত কৰিবলৈ যথেষ্ট ভিত্তি নহ’ব। ইয়াত মূল প্ৰশ্নটো অপৰাধৰ নিৰ্দিষ্ট প্ৰকৃতি বা ইয়াৰ লগত কোনো চৰকাৰী কৰ্মচাৰী জড়িত আছে নে নাই সেইটো নহয়, বৰঞ্চ অভিযোগ কৰা কাৰ্য্যটো কোনো চৰকাৰী কৰ্তব্য পালন কৰি থকাৰ সময়ত বা কৰ্তব্য পালন কৰা বুলি

দেখোৱা অৱস্থাত ৰাজহুৱা কৰ্মচাৰীয়ে সংঘটিত কৰিছিল নেকি? ১৯৭ নং ধাৰা প্ৰয়োগ কৰাৰ আগতে দেখুৱাব লাগিব যে সংশ্লিষ্ট বিষয়াজনৰ বিৰুদ্ধে উত্থাপন কৰা অপৰাধটো তেওঁৰ চৰকাৰী কৰ্তব্য পালন কৰি কাম কৰাৰ সময়ত বা কৰ্তব্য পালন কৰা বুলি দেখোৱা অৱস্থাত সংঘটিত হৈছিল। কৰ্তব্যৰ পৰিৱৰ্তে কাৰ্যটোৰ ওপৰতহে বেছি গুৰুত্ব দিব লাগিব, কাৰণ একেটা কামকে নিজৰ চৰকাৰী কৰ্তব্যৰ অংশ হিচাপে শুদ্ধভাৱে কৰিব পাৰি বা নিজৰ কৰ্তব্যক অৱহেলা কৰি ভুলকৈ কৰিব পাৰি। আইনখন সংশ্লিষ্ট চৰকাৰী কৰ্মচাৰীজনৰ চৰকাৰী কৰ্তব্যৰ পৰিসৰৰ ভিতৰত পৰিব লাগিব। আইনখনৰ মানদণ্ডই গুৰুত্বপূৰ্ণ আৰু এই ধাৰাটোৰ সুৰক্ষা উপলব্ধ হ'ব যদিহে কাৰ্যটো তেওঁৰ চৰকাৰী কৰ্তব্যৰ পৰিসৰ ভিতৰত পৰে।কাৰ্য্য আৰু চৰকাৰী কৰ্তব্যৰ মাজত যুক্তিসংগত সম্পৰ্ক আছে নে নাই সেইটো নিৰ্ণয় কৰিবলৈ কোনো সাৰ্বজনীন নিয়ম থাকিব নোৱাৰে, নতুবা এনে কোনো নিয়ম নিৰ্ধাৰণ কৰাটো সম্ভৱ নহয়। কিন্তু এই প্ৰসংগত এটা নিৰ্ভৰযোগ্য মাপকাঠী হ'ল চৰকাৰী কৰ্মচাৰীজনে তেওঁৰ চৰকাৰী কৰ্তব্যৰ অংশ হিচাপে প্ৰশ্ন উত্থাপিত কাৰ্য্যটো সম্পন্ন কৰাত অৱহেলা কৰাৰ বাবে জবাবদিহি হ'ব নেকি সেইটো মূল্যায়ন কৰা। যদি উত্তৰটো ইতিবাচক হয় তেন্তে অভিযোগ কৰা কাৰ্য্য আৰু চৰকাৰী কৰ্তব্যৰ মাজত স্পষ্ট সংযোগ স্থাপন কৰি চৰকাৰী কৰ্তব্য পালন কৰি থকাৰ সময়তে চৰকাৰী কৰ্মচাৰীয়ে এই কাৰ্য্য সংঘটিত কৰিছিল বুলি সিদ্ধান্ত ল'ব পাৰি। এই দিশটোৱে স্পষ্ট কৰি দিয়ে যে অভিযোগৰ গোচৰ আৰম্ভ হোৱাৰ লগে লগে ১৯৭ ধাৰা প্ৰয়োগ নহয়।”

২৬) এই গোচৰটোত দেখা যায় যে গোচৰটোৰ অভিযোগকাৰীয়ে ৩ নং সহ-আচামী (ৰবিন দাসৰ) মাটিৰ দখল কৰি থকাৰ পটভূমি আছে আৰু এনে ভূমি বিবাদৰ বাবে উক্ত ৩ নং আচামীয়ে ভাৰপ্ৰাপ্ত বিষয়া পংকজ দাস((বৰ্তমানৰ দৰ্খাস্তকাৰী)ক এটা অভিযোগ দিয়ে যিটো ১৯.৩.২০১৪ তাৰিখে দৈনিক পঞ্জী দৰজ হিচাপে পঞ্জীয়ন কৰা হয় আৰু বিষয়টোৰ প্ৰাৰম্ভিক তদন্তৰ পিছত, ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ১০৭/১৪৫ৰ অধীনত অভিযোগকাৰীৰ বিৰুদ্ধে এটা গোচৰ পঞ্জীয়ন কৰা হয়। উক্ত ঘটনাৰ এমাহৰ পিছত পিছত এজাহাৰ দাখিল কৰা হয় আৰু উক্ত বিষয়টোৰ পৰা অভিযোগকাৰীৰ উক্ত ৰবিন দাস আৰু তেওঁৰ ঘৰলৈ যোৱা আন লোকৰ লগতে সংশ্লিষ্ট ভাৰপ্ৰাপ্ত বিষয়া (বৰ্তমানৰ দৰ্খাস্তকাৰী যিয়ে বিষয়টোৰ তদন্ত কৰিছিল) বিৰুদ্ধে ক্ষোভ থকা যেন লাগে। মন কৰিবলগীয়া যে

অভিযোগকাৰীয়ে আচামী-দৰ্খাস্তকাৰীয়ে তেওঁক কৰা মাৰপিটৰ কোনো কাৰণ উল্লেখ কৰা নাই। ভূমি বিবাদৰ ওপৰত পক্ষসমূহৰ মাজত এনে অৰিয়াঅৰিৰ প্ৰতি লক্ষ্য ৰাখি মাৰপিটৰ কাৰণ আদি উল্লেখ নকৰাকৈ গোচৰ দাখিল কৰাটো অতি গুৰুত্বপূৰ্ণ কাৰণ ফৌজদাৰী গোচৰৰ চলি থকা কাৰ্যই আচামীগণৰ মাটি উদ্ধাৰ ক্ষেত্ৰত এটা প্ৰতিবন্ধক হ'ব বুলি ধৰি লোৱাৰ পৰিসৰ আছে।

তদুপৰি, ভাৰতীয় দণ্ডবিধি আইনৰ ১৫৬(৩) ধাৰা অমান্য কৰাৰ বাবে গোচৰটো অসিদ্ধ বুলি প্ৰত্যাহ্বানৰ ভিত্তি নাই কাৰণ গোচৰটো অভিযোগৰ পৰাই উদ্ভৱ হৈছিল আৰু বিদ্বান আদালতে সেই অভিযোগটোকে তদন্তৰ বাবে আৰক্ষীলৈ প্ৰেৰণ কৰিছিল। অভিযোগত কোনো বিবৃতি নাই যে অভিযোগকাৰীয়ে গোচৰ পঞ্জীয়ন কৰিবলৈ আৰক্ষীৰ কাষ চাপিছিল আৰু ইয়াক নাকচ কৰা হৈছিল, বৰঞ্চ বিদ্বান বিচাৰ আদালতে ওপৰত উল্লেখ কৰা ধৰণে নিৰ্দেশ দিছিল।

২৭) ওপৰত আলোচনা কৰা সন্তুষ্টিৰ স্তৰে দেখুৱাইছে যে এজন অভিযুক্ত দোষী নেকি সেইটো নিৰ্ণয় কৰিবলৈ কিমান প্ৰমাণৰ প্ৰয়োজন। কিন্তু এই গোচৰৰ সাক্ষ্য-প্ৰমাণে ওপৰত আলোচনা কৰা প্ৰয়োজনীয় মানদণ্ড পূৰণ নকৰে। বিদ্বান আদালতে ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ৩১৯ৰ বিধান প্ৰয়োগ কৰাৰ পূৰ্বে নিজৰ সন্তুষ্টি লিপিবদ্ধ কৰিবলৈ নথিত থকা আন সকলো বিষয়ৰ ওপৰত আলোচনা কৰা নাই। ইয়াত দৰ্খাস্তকাৰীজন হ'ল লাবডাংগুৰি থানাৰ ভাৰপ্ৰাপ্ত বিষয়া আৰু সংশ্লিষ্ট সময়ত তেওঁ কৰ্তব্যৰত আছিল আৰু আন আচামী-ব্যক্তিসকলেহে অভিযোগকাৰীক থানালৈ টানি লৈ গৈছিল, য'ত কথিত কাণ্ড সংঘটিত হোৱা বুলি উল্লেখ কৰা হৈছে। অভিযোগৰ সত্যতা অন্যান্য নথিভুক্ত প্ৰমাণৰ মানদণ্ডৰ ভিত্তিত মূল্যায়ন কৰা কৰা উচিত। পূৰ্বে কৰা দৈনিক পঞ্জী দৰজে অভিযোগকাৰী আৰু অন্যান্য আচামী-ব্যক্তিসকলৰ মাজত বিবাদ থকা সূচায় আৰু বিষয়টোৰ সেই দৃষ্টিভংগীত, এজন আৰক্ষী বিষয়া হিচাপে দৰ্খাস্তকাৰীয়ে এনে বিষয়ত হস্তক্ষেপ কৰি তেওঁ নিজৰ ক্ষমতা অতিক্ৰম কৰিলেও সেয়া অনুমোদন প্ৰদানকাৰী কৰ্তৃপক্ষই পৰীক্ষা কৰিব আৰু দৰ্খাস্তকাৰীৰ গোচৰটো কোনো কাল্পনিক দাবী যেন নালাগে। এইটো এনেকুৱা বিষয় নহয় যে দৰ্খাস্তকাৰীয়ে নিজেই আন আচামীগণৰ সৈতে অভিযোগকাৰীৰ ঘৰলৈ অপৰাধ সংঘটিত কৰিবলৈ গৈছিল। **হৰদীপ সিং** (ওপৰত উল্লেখ কৰা)গোচৰৰ ৰায় অনুসৰি ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ৩১৯ৰ প্ৰয়োগ কৰাৰ সময়ত আদালতে অভিযোগকাৰীৰ আন সাক্ষীসকলক পৰীক্ষা কৰা নাছিল আৰু প্ৰদত্ত তথ্য

আৰু পৰিস্থিতিত, ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৯৭ নং ধাৰাটোৰ বিধান আৰোপ নকৰাকৈয়ে ফৌজদাৰী কাৰ্যবিধি আইনৰ ৩১৯ নং ধাৰাত অপৰাধ সংঘটিত কৰা বুলি ধাৰণা কৰাটো আইনৰ ফালৰ পৰা সঠিক নহয়। যিহেতু গোচৰৰ অভিযোগকাৰীৰ বিৰুদ্ধে আচামীগণৰ এজনে অভিযোগ দাখিল কৰাৰ পিছত বৰ্তমানৰ দৰ্খাস্তকাৰীয়ে বিষয়টোৰ তদন্ত কৰিছিল, সেই নিৰ্দিষ্ট পৰিস্থিতিত তেওঁৰ বিৰুদ্ধে ক্লেশজনক ফৌজদাৰী আইনী প্ৰক্ৰিয়াৰ সম্ভাৱনাক নুই কৰিব নোৱাৰি। দৰ্খাস্তকাৰীয়ে ঘটনা সংঘটিত হোৱাৰ সময়ত কৰ্তব্যত আছিল আৰু সেয়ে তেওঁ ফৌজদাৰী কাৰ্যবিধি আইনৰ ধাৰা ১৯৭ৰ সুৰক্ষা লাভ কৰাৰ অধিকাৰী আৰু অনুমোদনৰ অভাৱত দৰ্খাস্তকাৰীৰ বিৰুদ্ধে গোচৰ চলোৱাটো আইনগতভাৱে সঠিক নহয়।

২৮) ফলস্বৰূপে বৰ্তমানৰ আচামী-দৰ্খাস্তকাৰী পংকজ দাস বিৰুদ্ধে চলি থকা জি. আৰ. গোচৰ নং ৯১৮/২০১৮ৰ আইনী প্ৰক্ৰিয়া খাৰিচ কৰা হ'ল।

আবেদনখন মঞ্জুৰ আৰু নিষ্পত্তি কৰা হ'ল।

অনুবাদক: মোবাৰক হুছাইন, জ্যেষ্ঠ অনুবাদক

গৌহাটী উচ্চ ন্যায়ালয়